

# ৰামধেনু

## 2.0

S.D.P. COLLEGE OF TEACHER EDUCATION, TIHU

# সম্পাদনা সমিতি

সম্পাদক : বিজিত ডেকা

সদস্য : নাদিয়া হাবিব
চন্দ্ৰালী দাস
জেউতি মিশ্ৰ
আশ্ৰাফুল আহমেদ
প্ৰনৱজ্যোতি ডেকা
হিমাক্ষী নাথ
অনামিকা ঠাকুৰীয়া

## ঃ সম্পাদকীয় প্ৰতিবেদন ঃ

"মোৰ প্ৰাণৰো প্ৰাণৰ মোৰ গানৰো গানৰ মোৰ দেশ
মোৰ প্ৰতিটো কামে মোৰ প্ৰতিটো চিন্তাই এই দেশৰ বুকুত ৰচে
শইচ সোণোৱালী ভৱিষ্যতৰ সপোন।"

হীৰেন ভট্টাচাৰ্য্য

মোৰ প্ৰতিবেদনৰ পাতনিতে যি কেইজন দূৰদৰ্শী চিৰ নমস্য মহানুভৱৰ ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ আৰু অক্লান্ত শ্ৰমৰ ফলশ্ৰুতিতে টিহুৰ মাজ মাজিয়াত শিক্ষাৰ প্ৰাণকেন্দ্ৰ সুধাৰাণী দলৈৰাম পাঠক শিক্ষক শিক্ষণ মহাবিদ্যালয় গঢ় লৈ উঠিছে, সেই কেইগৰাকী বৰেণ্য ব্যক্তিলৈ গভীৰ শ্ৰদ্ধা নিবেদিছো। লগতে যিসকল বীৰ শ্বহীদে ত্যাগৰ মন্ত্ৰেৰে অসমীয়া জাতি সত্বাৰ যুঁজত ভাষা-সংস্কৃতি ৰক্ষাৰ্থে প্ৰাণ আহুতি দিলে, সেইসকল বীৰ শ্বহীদলৈ অশ্ৰু অঞ্জলি যাচিলোঁ।

মানুহৰ আবেগ অনুভূতি সংঘাতপূৰ্ণ জীৱনৰ মূৰ্ত প্ৰকাশেই হল সাহিত্য, যি সাহিত্যই হেজাৰ হেজাৰ জনতাৰ দুখ-যন্ত্ৰণা, আশা আকাংক্ষা বিনা দ্বিধাৰে বাস্তৱ দৃষ্টিভংগীৰ জৰিয়তে লোক চক্ষুৰ আগত দাঙি ধৰিব পাৰে সেই সাহিত্যই সামাজিকভাৱে স্বীকৃত প্ৰাপ্ত সফল সাহিত্য, যি হৈ পাৰে একো একোটা জাতিৰ প্ৰাণৰ স্পন্দন। সাহিত্যই সু-সংস্কৃতি, গতিশীল সমাজ সৃষ্টিৰ পথত অগ্ৰসৰ হ'ব লাগে, জ্ঞান অন্বেষণৰ জৰিয়তে মানুহক কণ্টকবিহীন পথেৰে উত্তৰিত কৰোৱাৰ প্ৰচেষ্টা চলাব লাগে।

প্ৰথমে, এনেএখন আলোচনীৰ সম্পাদক হিচাপে কাম কৰিবলৈ পাই মই নিজকে বহু ভাগ্যবান অনুভৱ কৰিছো। এখন হাতেলিখা আলোচনীৰ দৰে গুৰু দায়িত্ব গ্ৰহণ কৰাটো মোৰ নিচিনা সামান্য সাধাৰণৰ পক্ষে সহজ নহয়। আলোচনীখনৰ সম্পাদক অকল মই বুলি কলে যথেষ্ট ভুল হ'ব। ডি. এল. এড.ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ মিলিত প্ৰচেষ্টাত এই 'ৰামধেনু ২.০' নামৰ আলোচনীখন সম্পন্ন

হৈ উঠিছে। আলোচনী এখনৰ মানদণ্ড নিৰ্ভৰ কৰে লিখনিৰ মানদণ্ডৰ ওপৰত। ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ মূল্যবান লেখাৰে দি এই আলোচনীখনৰ সৌষ্ঠৱ বঢ়ালে তেওঁলোকলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। যিসকলে মোৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি স্নেহেৰে হাত উজান দিলে তেওঁলোকক কৃতজ্ঞতা জনাইছো। লগতে অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সদৌটিলে মাৰ্জনা বিচাৰিছো। পাৰিশেষত 'ৰামধেনু ২.০' আলোচনীখনৰ উত্তৰোত্তৰ কামনা কৰি নিৰ্মল প্ৰভা বৰদলৈৰ এফাঁকি কবিতাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"মই বিচাৰিছো হেজাৰ চকুত
দীপ্ত সূৰ্য শিখা
এই ভয়াৱহ যুগ সন্ধিৰ
নাশিবলে বিভীষিকা।"

"জয়তু সুধাৰানী দলৈৰাম পাঠক শিক্ষক শিক্ষণ মহাবিদ্যালয়"

বিজিত তেকা
সম্পাদক,
ৰামধেনু ২.০

# গল্প

# অনুগল্প

# The Face Behind The Face

Mrs. Sharma is a social worker who receives huge appalause from the people by giving beautiful speeches on 'women's liberation' and 'Beti Bachao, Beti Parhao'. She has been invited to anti-child labour talks today. She has already repeated what she is going to say in her speech twice. She got everything ready and called her maid Minati to bring her a cup of tea. When Minati ran to give her a cup of tea, the cup slipped from her hand and a little tea fell on Mrs. Sharma's clothes. She slapped Minati on the cheek twice and changed her clothes and went out. Ten-year-old Minati sat in a corner and started washing the dishes crying...

Meanwhile, the speech of Mrs. Sharma in the meeting was filled with appalause.....!

Bijit Deka
D.El.Ed. 3rd Sem

# মমতা

মাকে দিনৰ দিনটো কাম কৰি পোৱা টকাকেইটাৰে আজি মাছ এটা আনি, সি ভালপোৱা মাছৰ টেঙাৰ আঞ্জাখন বৰ সজতনে ৰান্ধি ভাত বাঢ়ি ৰৈ আছিল। বন্ধুবৰ্গৰ লগতে ৰেষ্টোৰাঁত খাই লৈ স্ফূৰ্তি কৰি নিচাসক্ত হৈ ঘৰলৈ ওভতা পুতেকে আহিয়েই ভাতৰ কাহীখন দলিয়াই দিলে। ঘৰত আজি এজনৰ জোখৰহে চাউল আছিল ...।

Sourav Chakraborty
D.El.Ed 1st Sem

# অব্যক্ত বেদনা

বেদান্তৰ মন আজি সীমাহীন আনন্দেৰে ভৰি আছে। দেউতাকে দিয়া মন পছন্দৰ বাইকখন লৈ ফুৰিবলৈ ওলাই গ'ল। বেলি ডুবি লাহে লাহে সন্ধিয়া নামি অহাত বেদান্তৰ দেউতাক হেমকান্তই জুপুৰিটোৰ এচুকত আমন জিমনকৈ বহি আছে। অব্যক্ত বেদনাই হেমকান্তৰ বুকুখন হেঁচামাৰি ধৰিছে। কালিলৈকে এহাল গাই গৰুৰে পূৰ্ণ হৈ থকা গোহালিটো আজি উদং হৈ পৰাত অবাক হৈ গোহালিটোৰ ফালে চাই আছে...

Achintya Kumar Pathak
D.El.Ed. 1st Sem



# অপেক্ষা

সেইদিনা আছিল সোমবাৰ । ৰাতিপুৱা প্ৰায় ৭ বাজিছে, ঘৰৰ পৰা চাইকেলখন লৈ মই বাছ আস্থানলৈ বুলি ধাৱমান হ'লো । কুঁৱলীয়ে আৱৰি ৰাখিছিল চাৰিওকাষ, সেই কুঁৱলী ফালি মই গৈ আছোঁ । বাছ আস্থানত উপস্থিত হৈ মই সেই ৮ বজাৰ বাছখনলৈ ৰৈ আছোঁ । প্ৰায় ৮ বজাত বাছখন আহি মোৰ সন্মুখত । বাছখনত উঠি মই পিছৰ ছীটত বহিলো । বাছখন চলিবলৈ ধৰিলে, লগতে দৌৰিব ধৰিলে ৰাস্তাৰ কাষৰ গছবোৰ... । খিৰিকিৰে বাহিৰৰ পাৰিৱেশবোৰ চাই মই গৈ আছো । বহু যাত্ৰী, বহু লক্ষ্য, বহু আধৰুৱা সপোন ! সকলোৰে সাৰথি হৈ পৰে এই বাছখন ।

হঠাৎ এটা বাছ আস্থানত বাছখন ৰৈ পৰিল, বাছখনলৈ সোমাই আহিল তাই । বাছখনত বাজি আছিল - "মেঘালী চুলি তাৰি, ঢৌ খেলে বঁদালি..."। কিবা যেন মিলি গল গানটো সমস্ত অনুভৱৰ সতে । অৱশেষত মই মোৰ গন্তব্য স্থান পালো আৰু বাছৰ পৰা নামি ভাবি থাকিলো "আকৌ কেতিয়া আহিব ৰাতিপুৱা ৮ বজাৰ সময়খিনি"।

অপেক্ষা মাথো ৮ বজালৈ !!!



Asraful Ahmed
(আলফুল)
D. El. Ed. 3rd Sem

# অভিমান

বাস্তৱে খুব কন্দুৱাই আছে
আপোনে বৰ মৰম দিয়ে ।
কিন্তু কোনেও মৰমৰ মূল্যই বা ক'ত
যিটো বাস্তৱত শূন্য !

নতুনকৈ স্বৰ্ণাই পঢ়া উপন্যাসখনৰ শেষৰ দফাত এই শাৰী কেইটা আছিল । এৰা খুব মিলিছে তাইৰ লগত । তাইকো বাস্তৱে খুব কন্দুৱালে আৰু যাৰ লগত সপোনৰ পৰা জীৱন গঢ়াৰ সপোন দেখিছিল তেওঁ খুব কন্দুৱালে ।

এৰা জীৱনৰ পাকচক্ৰ । নিয়তি যে খুব নিষ্ঠুৰ । জনা হোৱাৰে পৰা আইতাৰ সাধুকথাত শুনা সেই সপোন দেশৰ ৰাজকুমাৰ জন বাস্তৱত যে ৰাক্ষস স্বৰ্ণাই কাহানিও ভবা নাছিল । এৰা ! সঁচাই সাধুকথাবোৰ শুনিহে ভাল লাগে ।

নিজৰ সপোন দেশৰ ৰাজকুমাৰ বুলি ভাবি স্বৰ্ণাই নিজৰ হাতখন নিয়ৰৰ হাতত তুলি দিছিল । এৰা নিয়ৰ যে ৰাক্ষস হ'ব কাহানিও ভবা নাছিল । স্বৰ্ণাই বিয়াৰ 10 দিন পিছত যেতিয়া ঘৰ আহি ওলাইছিল মাক-দেউতাকৰ মূৰত সৰগখন খহি পৰা যেন হৈছিল । তথাকথিত আমাৰ সমাজত কতশত ছোৱালী বিয়াৰ পিছত ঘৰলৈ ঘূৰি অহা এক যেন কলংকিত অধ্যায়।

অত্যাচাৰ সহ্য কৰি মৰি যোৱা হ'লে চাগে মানুহে দুখ কৰি অলপ শান্তি পালেহেতেন ।

এৰা দুখ কৰিবলৈও হেনো মানুহক কেতিয়াবা ভাল কাৰণ লাগে ।

বিয়াৰ পিছত অসমৰ্থ হোৱা নিয়মৰ অত্যাচাৰ সহ্য কৰি নাথাকি দুখ অথচ ওলোৱাটো স্বৰ্ণৰ পৰিয়ালত কোনেও ভাল পোৱা নাছিল । নাৰী মানেই যেন Adjustment । দৰকাৰ হ'লে এই Adjustment ত কাৰোবাৰ মন প্ৰাণ সকলো বন্ধকত দিব লগাই নহওক কিয় ।

স্বৰ্ণাই চাকৰি কৰাটো নিয়মে একেবাৰে পছন্দ কৰা নাছিল । দৈনিক কাজিয়াবোৰৰ এটা কাৰণ হোৱাও আছিল । সম্পৰ্কত যেতিয়া সন্দেহে বাস লয় তেতিয়া সেই সম্পৰ্ক জীয়াই নাথাকে । সম্পৰ্কৰ নামত মন, প্ৰাণ স্বাধীনতা সকলো বন্ধকত দিব লাগে জানো । সেই ভালপোৱাই বা কোন য'ত নিজৰ স্বাধীনতাক বন্ধকত থ'ব লাগে ।



স্বৰ্ণাই নিজৰ সম্পৰ্ক আৰু আত্মসন্মানৰ মাজত নিজৰ স্বাধীনতা আৰু আত্মসন্মানক বাচি ল'লে আৰু নিজৰ প্ৰতি অকল শৰীয়া যদিও তাই অকলে নিজৰ জীৱন ৰচনা কৰিব ধৰিলে । কষ্ট হ'ব তাই জানে । কিন্তু পাত প্ৰতিয়া অন্ততঃ তাইৰ দাগবোৰ আৰু চকুত চকু পানী নাই ।

কং কৃত্রিম ঘঁৰাহ এটা হ'লেও সে তাই পিঞ্জৰা ল'ৰ পাখিয়ে সুখ কিৰিলী পাখি চৰাই আক উৰি দিলে। স্বৰ্ণাই কৈ উঠিল ——

" স্বাধীনতাত আঁচাই সুখ শান্তি, কিবা যেন মিঠা অৰ্থ ভোগৰাদ।"

Jeuti Mishra

D. El. Ed 3rd Sem

# ফাগুনৰ ৰং

ফাগুন, ফাগুনে ৰং আনেও, ফাগুনে ৰং কাঢ়েও। ঠিকে বুলি ভাবি থকা কথাবোৰ এপলকতে সেমেকা সপোনৰ দৰে ভাঙি গুৰি হৈ গ'ল জোনালীৰ। তাই সপোনতো ভবা নাছিল ভাস্কৰে যে তাইক অকলে এৰি গুচি যাব তাইৰ জীৱনৰ পৰা।

2020 চনৰ ফেব্ৰুৱাৰী মাহৰ কথা। ভাস্কৰ আৰু জোনালীৰ কথা হৈছিল ফোনযোগে। যদিও সিহঁতৰ আগৰ পৰাই কিছু চিনাকি আছিল তথাপি ফোন যোগে কথা পাতি দুয়োৰে ভাল বন্ধুত্ব গঢ়ি উঠিছিল। যেতিয়া ভাস্কৰৰ এক্সিডেন্ট হৈছিল তাৰে পাছত তাই খবৰটো পাই তাৰ খবৰ লৈছিল। এনেদৰে দুয়োৰে কথা-বতৰা আৰম্ভ হৈছিল। ভাস্কৰে প্ৰতিদিনেই তাইক ফোন কৰিছিল। জোনালীয়েও তাৰ খবৰ-পাতি লৈছিল আৰু তাৰ সুস্থ হোৱাৰ কামনা কৰিছিল। সি আচলতে এক্সিডেন্টটো হোৱাৰ পিছত ভাগি পৰিছিল, আৰু জীৱনত একো কৰিব নোৱাৰিব বুলি ভাবিছিল। জোনালীয়ে তাক সাহস দিছিল যে সি সুস্থ হৈ জীৱনত আগুৱাই যাব আৰু আগৰ দৰেই নিজৰ কৰ্ম কৰিব পাৰিব। এনেদৰে দুয়োৰে বন্ধুত্ব গাঢ় হৈ উঠিছিল।

কেইমাহ মান যোৱাৰ পিছত ভাস্কৰ এতিয়া প্ৰায় সুস্থ। মাজে মাজে সি নিজৰ কৰ্ম স্থললৈ যোৱা আৰম্ভ কৰি দিলে। প্ৰতিটো দিনেই দুয়োৰে মাজত কথা-বতৰা চলে। ইজনে-সিজনৰ খবৰ লয়, সুখ-দুখৰ কথা পাতে। দিনটোৰ ভিতৰত ঘটা সমস্ত কথা সি জোনালীক কয়। এনেকৈ দুয়োৰে মাজত আন এক সম্পৰ্কই গঢ় ল'বলৈ ধৰিলে।

দুয়োৰে কথা পতা অব্যাহত হোৱা কিছুদিনৰ পিছত এদিন ভাস্কৰে জোনালীক সুধিলে যে আমি দুয়ো প্ৰেমৰ সম্পৰ্কত বান্ধ খাব পাৰোনে? যদিও তাইৰ মনত তেনেকুৱা ভাৱ গঢ় লৈছিল তাই পৰিয়ালকেন্দ্ৰিক সমস্যাৰ বাবে দুয়ো দুয়োৰে ভাল বন্ধু হৈ থাকিব বুলি ক'লে। কিন্তু মনে-প্ৰাণে তাইও তাক ভাল পাই পেলাইছিল। এনেদৰে সময়বোৰ পাৰ হৈ গৈ থাকিল। লাহে লাহে দুয়োৰে কথাৰ মাজেৰে, অনুভূতিবোৰৰ মাজেৰে ভালপোৱাবোৰ প্ৰকাশ হৈ গৈ থাকিল। শিমলুৰ ৰঙা ৰঙে, এঁৰাৰৰ বেঙুনীয়াই দুয়োৰে প্ৰেম দুগুণাই তুলিলে। এনে এটা দিন নাথাকে য'ত দুয়ো দুয়োৰে কথা-বোৰ ভগাই নলয়।

এনেকৈ তিনিটা বছৰ পাৰ হ'ল। তাৰ মাজত দুয়োৰে দেখা-দেখিও হ'ল। মনৰ কথাবোৰ মুকলি আকাশৰ তলত পাতিলে। হাতে-হাত ধৰি সুখ-দুখৰ কথাবোৰ ভগাই ল'লে। ভাস্কৰ আৰু জোনালীৰ সম্পৰ্ক অতি গাঢ় হৈ উঠিল।

কিন্তু নিয়তিয়ে জানো ভেবো মতেই সকলো সম্ভৱ কৰায়! এটি ফাগুনে যেনেকৈ দুয়োৰে মনত ৰং সানিছিল, অন্য এক ফাগুনে সেই ৰঙবোৰ কাঢ়ি লৈ গৈ সকলো লণ্ডভণ্ড কৰি দিলে। লাহে-লাহে কোনো কাৰণ নোহোৱাকৈ ভাস্কৰে তাইৰ জীৱনৰ পৰা আঁতৰি যাবলৈ ধৰিলে। যাৰ উমান তাই পলকে পোৱা নাছিল।

যোৱা বছৰৰ মাৰ্চ মাহৰ কথা। জোনালীৰ ঘৰত যেতিয়া তাইৰ বিয়া সম্পৰ্কে কথা-বতৰা চলিল তেতিয়া তাই ভাস্কৰক ফোন কৰি ক'লে যে, ভাস্কৰ আৰু তাইৰ সম্পৰ্কৰ কথাটো ক'ব নেকি ঘৰত? তেতিয়া ভাস্কৰে কিঞ্চিত হাঁহি এটি মাৰি ক'লে — জোনালী, মই বিয়ালৈ ভবা নাই, আমি দুয়ো কেৱল ভাল বন্ধুহে। জোনালীৰ আগত এজাক

অন্তঃকৰণীয় কাল ধুমুহা আহি পৰিল।

তাইৰ সিদিনা ভাস্কৰে আগতে কোৱা কথা কিছুমান মনত পৰিল- তাই হেনো তাৰ জীৱনত অমাৱস্যা পূৰ্ণিমাৰ দৰে আনি দিয়া জোন। জোনৰ ক্ষীণ পোহৰে তাৰ হেনো জীৱনত নতুন দিগন্তৰ সূচনা কৰিলে। ক'ত! আজি যেন সেই জোনৰ ক্ষীণ পোহৰ, সেই জোনটি অমাৱস্যাই ঢাকি পেলালে।

জোনালীয়ে তাৰ কথাবোৰ মানি ল'ব পৰা নাই। কাৰণ দুয়ো-জনেই জানে যে সেয়া কেৱল বন্ধুত্ব নহয়। কিন্তু কিয় সি তেনেকৈ ক'লে। তাই বহুত কাকূতি কৰিলে তাৰ ওচৰত। কিন্তু নাই। সি ক'লে যে তাই তাৰ বাবে বহুত বিশেষ, কিন্তু তাইক সি তাৰ জীৱনত নিবিচাৰে। কি আচৰিত! সি কিয় এনেকুৱা সিদ্ধান্ত ল'লে কেৱল মাত্ৰ সিয়ে জানে।

জোনালী নিৰুপায়। তাইৰ যেন সকলো শেষ হৈ গ'ল। তাই তিলতিলকৈ মৰি মৰি জীয়াই আছে। শেষত তাই ভাবিলে যে নিজেই যাব খোজা মানুহক জানো ধৰি ৰাখিব পাৰি। নাই, নোৱাৰি। অৱশেষত জোনালীয়ে ভাস্কৰৰ হাতে কটোৱা সেই সকলো সময় নিজৰ বুকুৰ মাজত সামৰি থ'লে। প্ৰতিটো দিনে প্ৰতিটো ক্ষণে সি তাইৰ ওচৰত আছে। যদিও ভাস্কৰ জোনালীৰ পৰা তাইৰ জীৱনৰ পৰা আঁতৰি গ'ল। এনেদৰেই জোনালী আজিও ৰৈ আছে। নাজানো কিমান দিন তাই এনেকৈ থাকিব। প্ৰশ্ন এটাই ভাস্কৰৰ দৰে তাইও এদিন সুখী হ'ব পাৰিবনে???

সেই চোৱা নীলা আকাশখন ...
উদং হৈ পৰি আছে,
নিশাটিও নষ্টীৰ হৈ আহিছে;
কিন্তু ক'তা! তাই যেন একলশৰীয়া
নীলা কিমিৰ দৰে তাইও আঁধৰুৱা আজি।

Nadia Habib
D.El.Ed 3rd Sem


প্রবন্ধ

# ছাত্ৰ ছাত্ৰীৰ শিক্ষাৰ মাজত ইণ্টাৰনেটৰ প্ৰভাৱ

ইণ্টাৰনেট, যাক সৰলভাৱে নেট বুলিও কোৱা হয়। ই হৈছে আন্তঃসংযোগী কম্পিউটাৰৰ নেটৱৰ্ক আৰু ইলেকট্ৰনিক ডিভাইচৰ এক বিশ্বব্যাপী ব্যৱস্থা। ইণ্টাৰনেটৰ জৰিয়তে মানুহে তথ্য ভাগ-বতৰা কৰিব পাৰে আৰু ইণ্টাৰনেট সংযোগেৰে যিকোনো ঠাইৰ পৰা যোগাযোগ কৰিব পাৰে।

দৰাচলতে, ইণ্টাৰনেটৰ পৰা পোৱা তথ্য অপাৰ আৰু অসীম। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰী ইণ্টাৰনেট অবিহনে চলাটো অসম্ভৱ যেন হৈ পৰিছে। কাৰণ ই হৈছে ভৱিষ্যত গঢ়াৰ প্ৰযুক্তি। যিয়ে বিভিন্ন দিশত তেওঁলোকক সফলতা অৰ্জন কৰাত সহায় কৰিব। এনেকৈৰে ইণ্টাৰনেটৰ ধনাত্মক দিশে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ জগতত এক বিশেষ ভূমিকা পালন কৰিছে বা কৰি যাব।

কিন্তু, ছাত্ৰ-ছাত্ৰীৰ মাজত ইণ্টাৰনেটৰ ধনাত্মক দিশবোৰ চালে শেষ হৈ নাযায়, ইয়াৰ ঋণাত্মক দিশো আছে যিয়ে বৰ্তমান সময়ত আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ দিশত এক অন্ধকাৰ নমাই আনিছে। কবলৈ গলে, যিমানে ইণ্টাৰনেটৰ ব্যৱহাৰ সহজলভ্য হৈ গৈ আছে স্মাৰ্টফোনৰ যোগে অনলাইন গেম, অনলাইন বন্ধুবৰ্গ এইবোৰৰ লগত নিজক সংযোগ কৰি এখন মিথ্যা পৃথিৱীত প্ৰৱেশ কৰিছে। ইয়াৰ উপৰিও ঋণাত্মক দিশবোৰ যিমানেই বাঢ়িছে সিমানেই বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মানসিক, শাৰীৰিক, আৰোগিক সমস্যাবোৰ দেখা দিছে। যাৰ ফলত ইণ্টাৰনেটৰ অতিমাত্ৰা ব্যৱহাৰে আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ দিশত বা জ্ঞান আহৰণৰ পথত এক বাধা হিচাপেও পৰিগণিত হৈছে।

সেয়েহে বৰ্তমানৰ সমাজে ছাত্ৰ-ছাত্ৰী বা আমাৰ দেশৰ শিশুসকলক সু-নাগৰিক হিচাপে গঢ় দিয়াত ইণ্টাৰনেটৰ ঋণাত্মক দিশবোৰ আঁতৰাই দিয়াটো জৰুৰী।

Dulu Kalita
D.El.Ed. 1st Sem

# দেৱভাষা সংস্কৃত ভাষা

সংস্কৃত ভাষা ভাৰতীয় উপমহাদেশৰ এটা প্ৰাচীন আৰু পবিত্ৰ ভাষা, যাক 'দেৱভাষা' বুলি অভিহিত কৰা হয়। ই ভাৰতীয় সভ্যতা, সংস্কৃতি আৰু ধৰ্মৰ আধাৰশিলা হিচাপে গণ্য হয়। সংস্কৃত ভাষা বহু শতিকাৰ পৰা ভাৰতীয় চিন্তা আৰু জ্ঞানৰ প্ৰবাহক ৰূপে কাৰ্যকৰী। সংস্কৃতক ভাৰতীয় ভাষাসমূহৰ মাতৃভাষা বুলি কোৱা হয়। অসমীয়া, বাংলা, হিন্দী আৰু অন্যান্য বহুতো ভাষাৰ মৌলিক শব্দ আৰু ধ্বনিগত গঠন সংস্কৃতৰ পৰা উদ্ভূত।

সংস্কৃত ভাষা ভাৰতীয় ধৰ্মসমূহ, বিশেষকৈ হিন্দু, বৌদ্ধ আৰু জৈন ধৰ্মৰ ধৰ্মীয় গ্ৰন্থৰ মূল ভাষা। ভাগৱত গীতা, বেদ, উপনিষদ, ৰামায়ণ আৰু মহাভাৰতৰ দৰে মহৎ গ্ৰন্থসমূহ সংস্কৃতত লিখা। এই ভাষা ধাৰ্মিক আধ্যাত্মিক চৰ্চাৰ কেন্দ্ৰস্থল। সংস্কৃতৰ ব্যাকৰণ, বিশেষত: পাণিনিৰ ৰচিত অষ্টাধ্যায়ী, অত্যন্ত বিজ্ঞানসন্মত আৰু সুক্ষ্ম। সংস্কৃত ভাষাত প্ৰতিটো শব্দৰ বাবে নিৰ্দিষ্ট অৰ্থ হৈছে, যিয়ে ভাষাৰ সৌন্দৰ্য্য বৃদ্ধি কৰে। সংস্কৃতত বৈজ্ঞানিক, গণিতীয় আৰু ঔষধি বিজ্ঞানৰ বহুতো লিখনি পোৱা যায়। চৰক সংহিতা আৰু সুশ্ৰুত সূত্ৰৰ দৰে প্ৰাচীন গ্ৰন্থসমূহ চিকিৎসা আৰু জ্যোতিষশাস্ত্ৰৰ বাবে অমূল্য তথ্যৰ আধাৰ।

সংস্কৃত সাহিত্য বিশ্বৰ আটাইতকৈ প্ৰাচীন আৰু ধনাঢ্য সাহিত্যসমূহৰ অন্যতম। সংস্কৃত নাটক, কাব্য আৰু মহাকাব্যসমূহে সংস্কৃতিৰ প্ৰাণিময় দিশক চাপি দিছে। উদাহৰণস্বৰূপে কালিদাসৰ ৰচনা। আজিৰ দিনত সংস্কৃতৰ অধ্যয়নে কৃত্ৰিম বুদ্ধিমত্তা (AI) আৰু কম্পিউটাৰ ভাষাৰ উন্নয়নৰ ক্ষেত্ৰত সহায় কৰি আহিছে। ইয়াৰ ব্যাকৰণিক স্পষ্টতা আৰু সংগঠিত ধাৰণা প্ৰযুক্তি ক্ষেত্ৰৰ বাবে উপযোগী। নৃত্য, সংগীত আৰু শিল্পকলাৰ ক্ষেত্ৰতো সংস্কৃতৰ গভীৰ প্ৰভাৱ আছে।

উদাহৰণস্বৰূপে ভাৰতীয় সংগীতৰ ৰাগ আৰু নৃত্যৰ নাট্যশাস্ত্ৰ সংস্কৃতৰ ওপৰত নিৰ্ভৰশীল।

সংস্কৃত বহু ভাৰতীয় ভাষাৰ মূল। এই ভাষা শিকিলে হিন্দী, অসমীয়া, বাংগালী, তামিল আদি ভাষা বুজা সহজ হয়। লগতে সংস্কৃত ভাষাৰ ব্যাকৰণ জ্ঞান সঠিক আৰু গভীৰ, যি ভাষাৰ অধ্যয়নত সহায়ক। সংস্কৃতত অগণন প্ৰাচীন গ্ৰন্থ পোৱা যায়, য'ত গাণিতিক, জ্যোতিষ শাস্ত্ৰ, ঔষধি বিজ্ঞান (আয়ুৰ্বেদ) আৰু অন্যান্য শাস্ত্ৰৰ গভীৰ তথ্য অন্তৰ্ভুক্ত।

সংস্কৃত কেৱল এটা ভাষা নহয়, ই বিশ্ব সভ্যতাৰ জ্ঞানৰ এক মহৎ ভাণ্ডাৰ। সংস্কৃতৰ অধ্যয়ন আৰু সংৰক্ষণৰ দ্বাৰা মানুহে কেৱল অতীতৰ ঐতিহ্যত প্ৰৱেশ কৰিব নোৱাৰে, বৰং আধুনিক বিজ্ঞান আৰু জ্ঞানৰ নতুন দিশো উন্মোচন কৰিব পাৰে। বৰ্তমানে সংস্কৃত ভাষাৰ ব্যৱহাৰ সীমিত, তথাপি কিছুমান গাওঁ যেনে মত্তুৰ (কৰ্ণাটক) আৰু শিক্ষা প্ৰতিষ্ঠানে সংস্কৃতক জীৱিত ৰখাৰ প্ৰচেষ্টা কৰিছে। ভাৰত চৰকাৰেও ভাষাটিৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে বিভিন্ন পদক্ষেপ লৈছে।

Nishita Sethia
D.El.Ed 1st Sem

# অসমীয়া হাতেলিখা আলোচনীৰ ইতিবৃত্ত

হাতেলিখা আলোচনী হৈছে মানুহে হাতেৰে লিখি প্ৰকাশ কৰা আলোচনী। ইয়াত আলোচনীৰ বাবে সংগ্ৰহ কৰা বিষয়সমূহ হাতেৰে লিখাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় অলংকৰণৰ বাবে চিত্ৰ অংকন কৰা আৰু আলোচনীখন বন্ধোৱা আদি সকলো কাম হাতেৰে কৰা হয়। প্ৰায়বোৰ সাহিত্যিকৰে ছাত্ৰাৱস্থাতে সাহিত্য চৰ্চাৰ উকমুকনি দেখা দিয়ে। তাৰ ফলশ্ৰুতিত বহুত শিক্ষানুষ্ঠানত হাতেলিখা আলোচনীৰ সৃষ্টি হয়। শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষয়ো এনে কামক সৃষ্টিশীল কৰ্ম হিচাপে বিবেচনা কৰি উৎসাহিত কৰা দেখা যায়।

সেঁউতী আছিল অসমীয়া ভাষাত যুগুত কৰা অসমৰ প্ৰথমখন হাতেলিখা আলোচনী। অসমৰ কটন কলেজৰ কেইগৰাকীমান শিক্ষাৰ্থীৰ উদ্যমীয়া প্ৰচেষ্টাত 1907 চনত এই হাতেলিখা আলোচনীখন পোন প্ৰথমবাৰৰ বাবে মুকলি কৰা হৈছিল। 'সেঁউতী'ৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল সৰ্বেশ্বৰ বৰুৱা। আলোচনীখন প্ৰায় আঠবছৰ ধৰি প্ৰকাশ পাইছিল। তেনেদৰেই যোৰহাট চৰকাৰী হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰফুল্ল চেটাৰ্জীৰ কাৰ্যকালত 1924 চনত জেউতি নামৰ হাতেলিখা আলোচনীখন প্ৰকাশ পাইছিল। টেকীয়াজুলি চৰকাৰী সাহাৰ্য্য প্ৰাপ্ত হাইস্কুলত 1963 চনত একেলগে নখন হাতেলিখা আলোচনী উলিওৱা হৈছিল। যোৰহাটৰ পৰা "জোনদে" নামৰ নামৰ চাৰিপৃষ্ঠাৰ অসমীয়া হাতেলিখা বাতৰি কাকত অজিত কুমাৰ শৰ্মাই আৰু Hotnews নামৰ ইংৰাজী কাকত যতি নাৰায়ণ শৰ্মাই সম্পাদনা কৰি উলিয়াইছিল। যোৰহাট নৰ্মাল স্কুলৰ "ছাত্ৰ" নামে এখন হাতেলিখা আলোচনী আৰু হাউলী প্ৰশিক্ষণ বিদ্যালয়ৰো "ছাত্ৰ" নামেৰে এখন হাতেলিখা আলোচনী প্ৰকাশ পায়।

সেইসময়ত কাশী বিশ্ববিদ্যালয়ত পঢ়িবলৈ যোৱা অসমৰ ছাত্ৰসকলৰ সংগঠন কাশী 'অসম ছাত্ৰ সংঘ' দ্বাৰাও "জাহ্নৱী" নামৰ এখন হাতেলিখা আলোচনী প্ৰকাশ পাইছিল ।

সংগ্ৰহীত
Chandrali Das
D. El. Ed 3rd Sem

# বিজ্ঞান আৰু মানৱ জীৱন

বিজ্ঞান, বিজ্ঞান মানেনো কি? বিজ্ঞান মানে অকল পদাৰ্থ, ৰসায়ন, গণিত এইবোৰৰ মাজত সীমাবদ্ধ থকা এটা মাত্ৰ বিষয় নহয়। বিজ্ঞান মানেই হৈছে মানৱ জীৱনৰ জীয়াই থকাৰ এক উপায়। কিন্তু অকল বিজ্ঞানে অকলে একো নহয়, যদিহে তাক মানুহে ব্যৱহাৰ নকৰে। ৰাতিপুৱা উঠাৰে পৰা ৰাতি শুৱালৈকে আমি বিজ্ঞানৰ ওপৰতেই নিৰ্ভৰশীল। অৱশ্যে 2024 চনত আমিনো বেলেগ আশাও কৰিব পাৰো কি? মানৱ জীৱনটো এক কথাত ক'বলৈ গ'লে বিজ্ঞানৰ ৰমাৱৰ্তী। সময়ৰ লগে লগে যেনেদৰে সকলো পৰিৱৰ্তন হয় ইও এক কথাত ক'বলৈ গ'লে পৰিৱৰ্তনেই। গতিকে বিজ্ঞান এনেকুৱা এটা বিষয় নহয় যাক আমি পঢ়ি শেষ কৰিব পাৰো অন্যথা আমি মানৱে বিজ্ঞানক বাদ দি জীৱন নিৰ্বাহো কৰিব নোৱাৰো। গতিকে বিজ্ঞান আৰু মানৱ জীৱনৰ এক ওতঃপ্ৰোত সম্পৰ্ক আছে।

Barasha Medhi
D. El. Ed 3rd Sem

# ৰামধেনু আলোচনী

ৰামধেনু আছিল 1950 চনৰ মাৰ্চ মাহৰ পৰা প্ৰকাশ পোৱা এখন অসমীয়া আলোচনী। ৰামধেনুৰ জন্মৰ আগতে 1948 চনত বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত ৰং ঘৰ নামৰ শিশু আলোচনী এখন প্ৰকাশ হৈছিল। কিন্তু দ্বিতীয় বছৰত ৰংঘৰৰ প্ৰকাশ বন্ধ কৰি তাৰ সলনি ইন্দ্ৰকমল বেজবৰুৱাৰ সম্পাদনাত ৰামধেনু আলোচনীৰ প্ৰকাশ আৰম্ভ হয়।

ইন্দ্ৰকমল হাজৰিকাৰ পিছত ক্ৰমে মহেশ্বৰ নেওগ, কীৰ্তিনাথ হাজৰিকা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ৰাধিকামোহন ভাগৱতী আৰু নীলকমল বেজবৰুৱাই ৰামধেনুৰ সম্পাদকৰ দায়িত্ব পালন কৰে। ৰামধেনু আলোচনীক কেন্দ্ৰ কৰি অসমীয়া সাহিত্যই এক নৱচেতনা আৰু নতুন দৃষ্টিভংগী লাভ কৰে। গল্প, কবিতা, উপন্যাস, সমালোচনা আদি সকলো দিশতে পৃষ্ঠপোষকতা আগবঢ়াই ৰামধেনুৱে অসমীয়া সাহিত্যৰ বিবিধ ধাৰাক বলিষ্ঠ কৰি তোলে।

ৰামধেনুত প্ৰকাশিত কবিতাবোৰৰ ভিতৰত হেম বৰুৱাৰ মমতাৰ চিঠি, আধৰ দিনৰ সপোন, তেজৰ চপৰা কাৰ? আদি, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ মিস্কুৰাবে প্ৰতিয়া কিমান ৰাতি, নৱকান্ত বৰুৱাৰ আটি প্ৰেমৰ পদ্য, মহাকাব্যৰ পাণ্ডুলিপি, উভতি অহাৰ কবিতা আদি উল্লেখযোগ্য। ৰামধেনু আলোচনীয়ে কুৰি বছৰ কাল ধৰি অসমীয়া ভাষা-সাহিত্যলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। 1961 চনত নিয়মীয়া প্ৰকাশ বন্ধ হোৱা ৰামধেনুৰ অন্তিম সংখ্যাটো 1996 চনত প্ৰকাশ পায়।

অসমীয়া সাহিত্যলৈ ৰামধেনুৰ লিখনি সমূহে কঢ়িয়াই অনা পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত 1940 চনৰ পৰা 1970 চনলৈকে সময়-ছোৱাক ৰামধেনু যুগ বুলি কোৱা হয়

সংগ্ৰহীত
Moushumi Khanikar
D.El.Ed 1st Sem

# Child Development and Education

"A Child is the father of man." This proverb means that a quality child can be the property of a strong nation. To make a child all round development, the role of parents, gurdians and environment keeps a major role in the growth of quality Child. It is said that home is the child's best school and parents are the first teacher for a child. Most of the parents and gurdians are ignorent how to take care of their child in developing mental, physical, emotional and spiritual side. yet in case of Assam most of the children are still out of school and child labour. This is because of parents ignorance about child's growth and rearing system. I think, to solve this major problem govt of Assam as well as education department should be take strong initiative to disway this strong disease from the society. It is said that a strong mind lives in a sound body. To become successful in this point every gurdians should be well known how to develop sound body of their child we know that knowledge is formed with the help of five sense organs. These five organs are – eyes, ear, nose, skin and tongue.

In this connection they have to provide nutrious food items since early childhood days we can't think of a quality child without having nutrious food items.

Education is a life long process. It is said that chairity begins at home. If the parents become serious in the pre - primary stage a child may be strong in the issues of developing reading, writing and arithmatics also in the said of relationship. Some psychologist and educationist are on the opinion that children should be allowed to learn from the nature. As we know that nature is man's best friend. If every parents allow their child to develop their knowledge freely without having any burden and load then their mental and physical development will be sound. Now a days, we see that parents are busy in the competition field how can they make their child fit for the present society and present situation. I have already said that home is the child's best school. If we can't maintain a well educational enviroment in our family and society, no child can develop quality education from any institution in their life.

Himakshi Nath
D.El.Ed 3rd Sem



# কবিতা

# নমন এছ. ডি. পি

হে এছ. ডি. পি তোমাক চিৰ নমন
যেতাৰজন প্ৰশিক্ষাৰ্থীৰ জীৱনৰ
সপোন পূৰণৰ পথ প্ৰদৰ্শক তুমি।
তোমাৰ চৰণত অন্তৰৰ নিভাঁজ কোণৰ পৰা
জনাইছোঁ প্ৰণাম ।।



হে এছ. ডি. পি তুমি শিক্ষা,
জ্ঞানৰ বাৰ্তা বুলোৱা
এগাছি জীয়া বন্তি ।
তুমি সদায় জিলিকা থাকা
হে এছ. ডি. পি তোমাক চিৰ নমন ।।

Himakshi Nath
D.El.Ed 3rd Sem

# অচিন চিনাকী

আকুল অতীত মনবোৰ
তোমাৰ পদূলিৰ কাঞ্চন বিধুৰি
সোঁতা পৰা জোনৰ সুৰভিত
দুৰাৰজ্বলিত বহ্নি
অজ্ঞানিত হাহাকাৰ কৰি উঠে ।

ৰং দলিয়ে তুলিকা আঁকি
উকা পথাৰৰ মাজত
তাই নিৰৱে অকলেই থাকে উচুপি,
তাইৰ এই কান্দোনৰ মাজ
বাৰে বাৰে তাইৰ কপালেই উভতি আহে,
নিজ কান্দোনৰ মালা গাঁথি
তাই পাৰে শুনাবি - - - - - -

শেনকুৱা পখীবোৰে তাই আকৌ গতি কৰে
এক লক্ষ্যহীন পথত সাপোনৰ ৰথ মেলি দিয়ে,
এইদৰেই ক'ত দিন, ক'ত ৰাতি পাৰ হ'ল
তাৰ হিচাপ তাইৰ হয়তো নাই
তাই কেৱল খোজ দিছে,
ক্লান্ত শৰীৰৰ ভাগে কেতিয়াবা জিৰণিও লৈছে,
কেতিয়াবা নদীৰ পাৰত
নতুবা পথাৰৰ দাঁতিত অথবা কোনোবা গছৰ তলত ।

অনেক ত্ৰিযানিৰ নিদত

আকৌ আৰম্ভ কৰে এক অবিৰত যাত্ৰা
এই যাত্ৰাত আইৰ ভৰিৰ তলুৱা
সৰু সৰু কাঁইটেৰে ভৰি পৰে,
ক'লা কেটকেটীয়া ফুলিকোচা
ধূসৰ হৈ আহি ধৰে;
শুলনীয়া দুই ভৰি ওঁঠুৰি
শেঁতাপৰা তোমাটোৰ মুখেই শুকান হৈ পৰে।
বনী অপৰী আইজনী প্ৰতিমা
মৰহিবলৈ ধৰিছে
এৰা --- মৰুভূমিত মৰীচিকা বিচৰা মানুহটো
নিজকে জুইত বিসৰ্জন দিয়া।
কিন্তু আইজনী যৰ আকৰ্ষী
মৰীচিকাৰ সন্ধানত ভটিয়া
নিজৰ ওচৰতেই থিয়ে অভিলাষী
ভটিয়া আই এজনী আচিন দেশৰ অভিলাষী॥

Pranabjyoti Deka
D. El. Ed 3rd Sem

# অকলশৰীয়া জোন

নিজান আকাশত
এটি অকলশৰীয়া জোন
নাজানো ; কেনেকৈ ইমান জিলিকিছে !
আহ ! এনেকৈ নাচাবি জোন
মৰম লাগি যায় ।
মৰম যদি হ'লে আকৌ হেনো
প্ৰতিদান দিব লাগে ।
নোৱাৰো জোন,
প্ৰতিদান দিব নোৱাৰো ।
আপোনৰ ভগা টুকুৰা বিচাৰি
মই নিজৰ চহৰতেই ব্যস্তও ।
নালাগে জোন, তোৰ হাত নালাগে
আপোনৰ দিগন্ত বিচাৰি মই অকলেই যাম ।
সহায়ৰ প্ৰতিদান মই দিব নোৱাৰিমও
গৈয়ে যা তই --- জোন ।
ইমান মৰম নিদিবি ।
ভয় লাগে ।

Jeuti Mishra
D.El.Ed 3rd Sem



# বন্ধুত্ব

মন খুলি হাঁহিবলৈও
এখন পৃথিৱীৰ প্ৰয়োজন,
সেই পৃথিৱীখনৰ নামটো 'বন্ধুত্ব'।
যিখন পৃথিৱীত নাথাকে
পোৱা নোপোৱাৰ হিচাপ,
থাকে মাথোঁ
অনুভৱবোৰৰ মুক্ত প্ৰকাশ,
ইজনে সিজনক সুখী কৰাৰ
নিস্বাৰ্থ প্ৰয়াস।
য'ত নাথাকে
তুচ্ছ মানসিকতাৰ পৰিধিত
সম্পৰ্কবোৰৰ প্ৰমাণ,
থাকে মাথোঁ
ৰামধেনুৰ সাতোৰঙৰ
আবিৰ সনা অনাবিল আনন্দ।
য'ত নাথাকে হৃদয় ভঙা
কঠিন শব্দবোৰৰ প্ৰয়োগ,
মাথোঁ থাকে, মন ভুলোৱা
মিঠানৰ এষাৰ মাত।

Chandana Barman
D.El.Ed 3rd Sem



# মাঁ

'মাঁ' এটি স্নেহপূৰ্ণ শব্দ
'মা' শব্দৰ পৰা সৃষ্টি হয় ;
'মাতৃ', 'মাতৃভাষা' আৰু 'মাতৃভূমি'
'মাতৃ' যাৰ কোলাত জন্ম হয়
পৃথিৱীৰ সকলো প্ৰাণী ।
'মাতৃভাষা' যাৰ উচ্চাৰণত দূৰ হয়
মনৰ দুখ - বেদনাৰ
তথা যন্ত্ৰণা
'মাতৃভূমি' যাৰ স্পৰ্শত জন্ম হয়
মনত সাহস আৰু উদ্যম ,
'মাঁ' এই শব্দৰ মাজত থাকে
সুখ - দুখ , হাঁহি - কান্দোন ,
মৰম - ভালপোৱা , আশা
তথা বহুতো সুন্দৰ সপোন ।



Anirudha Roy
D.El.Ed 1st Sem

# গান

জীৱনৰ আনন্দ হয় গান
অন্তৰত লুকাই থকা প্ৰেম হয় গান
সূৰ্য্যৰ দৰে গোটেই সংসাৰখনক পোহৰাই তোলে গান
প্ৰতিটো ধৰ্ম, পৰম্পৰা, ৰীতি-নীতিৰ আধাৰ হয় গান
শৈশৱ, যৌৱন, বৃদ্ধৰ প্ৰতিটো ৰঙত ৰঙীন হয় গান
বিস্মৰিত হৈ থকা মুকুতাক মালাত গাঁথে গানে
প্ৰতিটো উৎসৱ-পাৰ্বন, পূজা-পাঠৰ প্ৰাণ হয় গান
মনৰ সকলো ভাৱনাক সুন্দৰকৈ দৰ্শাই দিয়ে গানে
সকলো দুখকে পাহৰিব পৰা ঔষধ হ'ল গান
কিজানি
জগতত উশাহতকৈও আগতে আছিল গান ॥

Ankita Patgiri
D. El. Ed 1st Sem

# প্ৰিয় ৰং ক'লা

ক'লা চাৰ্টৰ আস্তিন কোঁচাই আগুৱাই গ'লে,
মোক হাঁহিবা নেকি নাৱাজুদ্দিন চিদ্দিকী বুলি ?
কাৰণ মোৰ প্ৰিয় ৰং ক'লা ----
কুঁৱলী ৰাতি আন্ধাৰৰ মাজত বহি থকা দেখিলে ,
মোক ক'বা নেকি আন ৰোমান্টিক ভিলেইন বুলি ?
কাৰণ মোৰ প্ৰিয় সময় আন্ধাৰ ----
ক'লা পোছাকত তোমাক হাণ্ড্ৰেড পাৰ চেন্ট ৰং কাৰ যেন লাগিছে বুলি ক'লে
ওফোন্দ পাতিবা নেকি "বাকী পোছাকত মোক বেকাৰ যেন লাগে নেকি" বুলি?
কাৰণ মোৰ প্ৰিয় মানুহ তুমি ----
তোমাৰ প্ৰিয় ৰং সেউজীয়া হ'লে মই গছ হ'বলৈ ৰাজী
তোমাৰ প্ৰিয় ৰং নীলা হ'লে মই সাগৰ হ'বলৈ ৰাজী
- - - - - - - -

মোৰ প্ৰিয় ৰং ক'লা ---- তুমি আন্ধাৰ হ'বলৈ ৰাজী নে?

Banshree Talukdar
D.El.Ed 1st Sem

# এই যে বাপেকবোৰ

মেট্ৰিকৰ ৰিজাল্ট দিব আজি ...
আগদিনাই দুহেজাৰ টকা উলিয়াই ৰাখিছে
ৰাতিপুৱাই ফোনটো চাৰ্জ লগাই থৈছে
ভবামতে নহ'ল, অংকত লেটাৰ নাপালো !!
আজি গালি নাই পৰা ভয়তে কিবা কৰিম বুলি |||

কি পঢ়িছো তাত কিমান বা-বিচাৰ নাই
কিন্তু পঢ়া টেবুলত বৰফী বালে দুটা লগাই ||
আগৰত আবেলি কেতিয়াবা দুপেগ লগালেও
যোৱাকালি মই খাবলৈ মন কৰা
মাংস টোপোলা ঘৰ আহি সোমাই |||

অভাৱ দেখিছে,
দৰিদ্ৰতাক আঁকোৱালি আহিছে
তথাপিও আমাক মানুহ কৰাৰ যো যা কৰিছে
এটকা যদি সাঁচিছে, দুটকাৰে আমাক পালিছে ||

জোনাক ৰাতিৰ চোতালত সাৰ পোৱা
এৰি অহা সাহানিৰ কথা সুঁৱৰিলে
মোৰ এতিয়া সাধুকথা লাগে ||

কেতিয়াবা চকু সেমেকাই কয়, যে বাবা !!!
মই নোৱাৰিলো, তইঁতে পাৰিব লাগিব |||

এই যে বাপেকবোৰ !!!

Kripanjali Haloi
D. El. Ed. 3rd Sem

# আত্ম-যুদ্ধ

তিক্ততাৰে পৰিপূৰ্ণ অভিজ্ঞতাৰ
আজি অব্যক্ত আলোচনা,
হাঁহিৰ অন্তৰালত লুপ্ত অনুভৱৰ
অভিমান ভৰা বৰষা !

অন্ধকাৰ নিশাৰ সজ্জিত তৰাবোৰ
সাক্ষী হৈছে মোৰ স্বপ্ন পথটিৰ,
একান্ত বাৰ্তালাপৰ অভিযোগবোৰ
মৌনতাৰ হে একমাত্ৰ সংগী ।

অন্তৰ্ধান সপোনচিত্ৰবোৰ
প্ৰতিবাদৰ চিত্তৰ হৃদয়ত,
অবাস্তৱতাৰ চিনাকীয়ে অশান্ত
কৰিছে একালৰ সপোন প্ৰেমীক ।

নিৰবিচ্ছিন্ন আত্মযুদ্ধৰ উপস্থিতিত
আহত অনুভৱৰ মৌচাকখনি
মৌ বিহীনতাৰ উত্থানতে বিষাদে
লৈছে মন আধিপত্যৰ চাবি-কাঠি ।

অশ্ৰু নিগৰা সময়ৰ অনন্ত প্ৰাপ্তিত
হাস্য আনন্দৰ বিলুপ্ততাৰ ভাবুকি,
সংঘৰ্ষ বিহীন স্বপ্নপথৰ স্পৃহাবোৰ
আত্ম-যুদ্ধৰ একমাত্ৰ উদ্দীপক বাণি ।

Barasha Dutta
D.El.Ed. 3rd Sem

# An Epilogue of a Cinder

I might be lost in a manner,
No manners can haunt me down.
By the lane while sticking the deep boat
The sound of the wind may hold the blue.

While passing through the memory
I search for the smile.
It might fade the current.
The current of the wavy curls
Which holds the sea?

To see you
To sew me
I might ask for your shoulder
Or borrow it.

They have paid the debt.
The faith had said.
I am still asking you.
Or may ashes will tell you.

Kripanjali Haloi
D.El.Ed. 3rd Sem

# অসমীয়া যুৱকটি

নিশাৰ ক'লা পোহৰলৈ যেন
অন্তৰত জ্বলে আশাৰ জোনাক ।
অসমীয়া যুৱকটি উভতি চায়,
ঘৰৰ দশা সৰল; দুৰ্বল ঠেক ॥
ঘৰখন সৰু, ইটাত ফাঁক,
তাতে কাহানিও এৰি নিদি সপোন ।
মাতৃৰ মাতৰ নাড়িৰ দোল,
পিতৃৰ চকুত আশাৰ জ্বল ॥
মনৰ মাজত এটা সুন্দৰী ছবি,
আপোনৰ ঘৰ; সাজিব ঘ'ত সুখে ।
প্ৰেমৰ ছায়াত লাগে শান্তি,
জীৱনৰ বাটত এটি চিৰন্তন সংগী ॥
তেওঁৰ প্ৰেমৰ কাহিনী পুৰণি,
কিন্তু জ্বলিছে তুষ্টি সুকোমল মনে ।
প্ৰেয়সীৰ চকুত চায় সপোনৰ আকাশ,
সজায় তুলিব নিজৰ পৰিৱেশ ॥
ৰাতিপুৱাৰ দৰে সাজিয়া,
মাজিয়ালৈ কৰ্মৰ বাট ।
কিন্তু আশা পূৰ্ণ হ'ব এক দিন,
ঘৰখন সাজিব, য'ত থাকিব শান্তিৰ সুৰ ॥
এনে অসমীয়া যুৱকৰ জীৱন দশা,
সংগ্ৰামৰ চেষ্টা, সাহসৰ উজ্জ্বল ।
তেওঁৰ মনৰ আশা পূৰ্ণ হওক,
যেতিয়া সাহস আকাশত উৰি থাকিব ॥

Kaushik Sharma
[illegible]

# নীলা খামৰ চিঠি





# মহৎ লোকৰ বাণী

*. বিফলতাবোৰ মানুহৰ অমূল্য অভিজ্ঞতা। একমাত্ৰ বিফলতা-বোৰহে মানুহক গভীৰ সত্যৰ মুখামুখি কৰি দিয়ে আৰু দৃষ্টিভংগী সলনি কৰিবলৈ বাধ্য হ'ব পাৰে।

— কাৰ্ল গ্যাষ্টাভ ইয়ুং

*. অন্যক নকাৰিবা নিজৰেই সৰ্বনাশ, হিংসা নকৰিবা পতন হ'ব, কাকো ঘৃণা নকৰিবা নিজেই ঘৃণীত হ'বা।

— স্বামী বিবেকানন্দ

*. শৰীৰৰ কাৰণে ব্যায়াম যেনেকৈ দৰকাৰী, ঠিক তেনেকৈ মনৰ কাৰণে দৰকাৰী কিতাপ পঢ়াৰ অভ্যাস।

— ছাৰ ৰিচাৰ্ড ষ্টিল

*. শিক্ষা জীৱনৰ প্ৰৱহমান নদী, এই নদীক খুঁতিলে পৰিৱৰ্তন বা ধ্বংস হ'ব বুলি নিদিবা।

— বানী ৰাটচন

*. পুথি অধ্যয়নৰ যোগেদি দুৰ্মূল্য মানিক হাতত পোৱা যায়। সঁচাকৈয়ে পুথিত সংগৃহীত হৈ থাকে মানুহৰ শ শ শতিকাজোৰা অভিজ্ঞতা।

— সত্যনাথ বৰা

nakshi Deka
.Ed 3rd Sem

# সাঁথৰ

১) ঘৰৰ ওপৰত ঘৰ, তাতে পাৰি মৰ।
⇒ আঁঠুৰা

২) ওপৰত দপাতি তলত গুটি, তাক খাই আহিন কাতি।
⇒ কচু

৩) কানত ধৰি নাকত বহে।
⇒ চশমা

৪) জুইত ফুটে পানীত মৰে, সেই বস্তু সকলোৱে ঘৰে ঘৰে।
⇒ নিমখ

৫) ঘিয়ে দিয়ে তাকে খায়, পানী দিলে মৰি যায়।
⇒ জুই

৬) কি কলৰ বাকলি নাই ?
⇒ Miss Call

৭) পানী আছে মাছ নাই, জংঘল আছে বাঘ নাই।
⇒ নাৰিকল

৮) লাগিলে পেলাই দিয়ে, নালাগিলে উঠাই দিয়ে।
⇒ চাইকেলৰ ষ্টেণ্ড

৯) সই এনে এটা বস্তু যিটো অন্ধ মানুহেও দেখা পায়।
⇒ সপোন

১০) গৰু নহয় কিন্তু ঘাঁহ খায়, পক্ষীও নহয় কিন্তু উৰি যায়।
⇒ ফৰিং

Anisha Bezbaruah
D.El.Ed. 3rd Sem






Juri...
Kalita


প্রভাতী



Founders of RAMDHENU



D.El.Ed. 1st Sem, 2024



D.El.Ed 3rd Sem, 2024



Bijit Deka



Pranabjyoti Deka



Jeuti Mishra



Chandrali Das



Asraful Ahmed



Kripanjali Haloi



Banashree Talukdare



Bijit Deka



Nadia Habib



Asraful Ahmed



Nadia Habib



Himakshi Nath



Sourav Chakraborty



Bijit Deka



Najmun Nehar